# পি,টি,চি,এ,ৰ আহ্বানত

# ১২ ঘণ্টিয়া উদয়াচল বন্ধ

## তাৰিখ —১০ মে, ১৯৮৮

### সময় :– ৰাতিপুৱা ৫ টা বজাৰ পৰা সন্ধিয়া ৫ বজালৈ।

শ্ৰদ্ধেয় ৰাইজ,

ইয়াৰ দ্বাৰা জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো ৰাইজলৈ জনোৱা যায় যে, ভৈয়াম জনজাতি পৰিষদে অহা ১০ মে, ১৯৮৮ ইং তাৰিখে ৰাতিপুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ প্ৰস্তাবিত কেন্দ্ৰীয় শাসিত উদয়াচল ৰাজ্য সৃষ্টি কৰাৰ দাবীত ১২ ঘন্টিয়া বন্ধ পালনৰ আহ্বান কৰিছে। এই বন্ধ পালন প্ৰস্তাবিত উদয়াচলৰ ভিতৰতে সীমাবদ্ধ থাকিব।

ভৈয়াম জনজাতি পৰিষদ সন্ত্ৰাসবাদৰ সম্পূৰ্ণ বিৰোধী। অহিংস, শান্তি পূৰ্ণ আৰু গণতান্ত্ৰিক নীতিৰে পৰিচালিত এই বন্ধ সৰ্ব্বাত্মক হব। অত্যাৱশ্যকীয় সেৱা যেনে —পানী যোগান, গাখীৰ যোগান, বিজুলী যোগান, অগ্নি নিৰ্ব্বাপক, চিকিৎসা সেৱা, প্ৰতিৰক্ষা সেৱা আৰু আইন শৃঙ্খলাৰ বস্তু ব্যৱহৃত যানবাহন চলাচলৰ বাহিৰে, সকলো হাট-বাজাৰ, দোকান-পোহাৰ চৰকাৰী ও অৰ্দ্ধ চৰকাৰী কাৰ্য্যালয়, ৰাষ্ট্ৰীয়পথ, শ্ৰীৰামপুৰৰ পৰা ৰঙ্গিয়া হৈ মুৰ্কংচেলেকলৈকে ৰেল পথ সম্পূৰ্ণ বন্ধ থাকিব।

এই সৰ্ব্বাত্মক ১২ ঘন্টিয়া বন্ধ পালনৰ কাৰ্য্যসূচী অতি শান্তি পূৰ্ণ ভাবে সফল কৰি তুলিবলৈ জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো ৰাইজলৈ এই গোহাৰিৰ জৰিয়তে সবল আহ্বান জনোৱা হ'ল। ইতি—

## উদয়াচল বিনা বিশ্ৰাম নাই!

## পি,টি,চি,এ জিন্দাবাদ!

বিণীত—
কেন্দ্ৰীয় পি,টি,চি,এ,ৰ হৈ
চৰণ নাৰ্জ্জাৰী
সাধাৰণ সম্পাদক পি,টি,চি,এ,।

কোকৰাঝাৰ
তাং ২৭/৪/৮৮ ইং

OKDISCD